ৰণজিৎ সিংঃ ১৭৮০ খৃঃত ৰণজিৎ সিঙে জন্মগ্ৰহণ কৰে। সেই সময়ত সমগ্ৰ পঞ্জাব কিছুমান 'মিচিল' বা সামন্ত ৰাজ্যত বিভক্ত আছিল। ৰণজিৎ সিঙৰ পিতৃ মহসিঙ এনে এক মিচিল 'চুকৰচেকীয়া'ৰ নেতা আছিল। ১৭৯০ খৃঃত পিতৃৰ মৃত্যুত ৰণজিৎ সিঙে 'চুকৰচেকীয়া'

CS CamScanner

মিচিলৰ নেতৃত্ব গ্ৰহণ কৰিলে। ইয়াৰ কিছু বছৰৰ পাছত ১৭৯৮ খৃঃত, কাবুলৰ অধিপতি জা
চাহে পঞ্জাৱ আক্ৰমণ কৰিলে। মাত্ৰ ১৮ বছৰ বয়সীয়া ৰণজিৎ সিঙে একমুঠিমান অশ্বাৰে
সৈন্য লৈ বাৰংবাৰ জামান চাহক আক্ৰমণ কৰি মিত্ৰতা কৰিবলৈ বাধ্য কৰিলে। জামান চ
ৰণজিৎ সিঙক 'ৰজা' উপাধিৰে বিভূষিত কৰিলে আৰু লাহোৰ পৰিত্যাগ কৰি ঘূৰি গ'ল। ল
লগে ৰণজিৎ সিঙে লাহোৰ অধিকাৰ কৰি পেলালে আৰু জম্মু জয় কৰিবলৈ অগ্ৰসৰ হ
জম্মুৰ ৰজা যুদ্ধত পৰাভূত হৈ বহু ক্ষতিপূৰণ দিবলৈ আৰু ৰণজিৎ সিঙৰ বশ্যতা স্বী
কৰিবলৈ বাধ্য হ'ল। ১৮০৫ খৃঃত ৰণজিৎ সিঙে অমৃতসৰ আৰু শতদ্ৰু নদীৰ পশ্চিম পা
প্ৰায়বোৰ শিখ 'মিচিল' অধিকাৰ কৰি নিজ শক্তি আৰু মৰ্য্যদা বহুগুণে বৃদ্ধি কৰিলে। ই
পাছত তেওঁ সমগ্ৰ শিখ জাতিক ঐক্যবদ্ধ কৰিবলৈ সংকল্প লৈ শতদ্ৰু নদীৰ পূব পাৰৰ মি
'মিচিল'বোৰ অধিকাৰৰ বাবে অগ্ৰসৰ হ'ল। সেই অঞ্চলৰ শিখ মিচিলসমূহ সন্ত্ৰস্ত হৈ ইংৰা
কোম্পানীৰ সাহায্য বিচাৰিলে। ইংৰাজ গৱৰ্ণৰ জেনেৰেল লৰ্ড মিণ্টোৱে চাৰ্লচ মেটকাফেক এ
বিষয়ত মীমাংসাৰ বাবে ৰণজিৎ সিঙৰ ৰাজসভালৈ প্ৰেৰণ কৰিলে। বহু আলোচনাৰ পাছ
দুয়ো পক্ষই ১৮০৯ খৃঃত অমৃতসৰত এক সন্ধি কৰিলে। এই সন্ধিৰ দ্বাৰা শতদ্ৰু নদী ৰণজি
সিঙৰ ৰাজ্যৰ পূব সীমা নিৰ্ধাৰণ হ'ল। শতদ্ৰুৰ পূব পাৰৰ ৰাজ্যবোৰৰ ওপৰত ৰণজিৎ সি
হস্তক্ষেপ নকৰাৰো প্ৰতিশ্ৰুতি দিয়ে।

অমৃতসৰ সন্ধিৰ পাছত ৰণজিৎ সিং পঞ্জাৱৰ পাৰ্বত্য অঞ্চলৰ ৰাজ্যবোৰ কাশ্মীৰ, মূলটা
কোহাৰ্ট, পেছোৱাৰ প্ৰভৃতি স্থানসমূহ জয় কৰি নিজ সাম্ৰাজ্য সীমা পঞ্জাৱৰ পৰা খাইবা
গিৰিপথ আৰু সিন্ধুপ্ৰদেশৰ সীমা পৰ্যন্ত বিস্তাৰিত কৰে। ইতিমধ্যে আফগান ৰজা চাহ চুজা নি
ৰাজ্যৰ পৰা খেদা খাই আহি ৰণজিৎ সিঙৰ হাতত বন্দী হয়। ৰণজিৎ সিঙে চাহ চুজাৰ প
বিখ্যাত "কহিনুৰ" হীৰা দোখৰ হস্তগত কৰিবলৈ সক্ষম হয়। শিখ জাতিক একতাৰ দোলে
বান্ধিবলৈ বহুদূৰ সক্ষম হোৱা এই মহান যুঁজাৰু ৰণজিৎ সিংহৰ ১৮৩৯ খৃঃৰ ২৭ জুনত ৫
বছৰ বয়সত মৃত্যু হয়।

ৰণজিৎ সিংহ যে কেৱল সমৰবিজয়ী নেতাই আছিল এনে নহয়, প্ৰশাসনৰ ক্ষেত্ৰতে তে
যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছিল। নিজ ৰাজ্যৰ নিৰাপত্তা সুনিশ্চিত কৰিবৰ বাবে তেওঁ নি
সৈন্যবাহিনীক আধুনিক যুদ্ধ পদ্ধতিৰে প্ৰশিক্ষিত কৰিছিল। ফৰাচী সম্ৰাট নেপোলিয়ন বোনাপাৰ্ট
দুজন প্ৰাক্তন সামৰিক কৰ্মচাৰীক ৰণজিৎ সিঙে নিজ সৈন্যবাহিনীৰ প্ৰশিক্ষক হিচাপে নিযু
দিছিল। সমসাময়িক বহুতো লিখকৰ মতে ৰণজিৎ সিঙৰ সৈন্যবাহিনী যি কোনো ইউৰোপী
বাহিনীৰ সমতুল্য আছিল। প্ৰচলিত ৰীতি-নীতিৰ ওপৰত ভিত্তি কৰিয়ে তেওঁ দেশ শাস
কৰিছিল।

প্ৰতাপী ইংৰাজসকলেও সদায় ৰণজিৎ সিঙৰ লগত বন্ধুত্বপূৰ্ণ আচৰণ কৰিছিল। সে
সময়ত সম্ভাব্য ৰুচ আক্ৰমণত ভীতিগ্ৰস্ত ইংৰাজসকলে ভাৰতবৰ্ষৰ প্ৰৱেশদ্বাৰ স্বৰূপ উত্ত
পশ্চিম সীমান্তৰ শক্তি শিখসকলৰ নেতা ৰণজিং সিঙক জোকাই লোৱাৰ সাহস কৰা নাছি
লৰ্ড বেণ্টিংকে স্বয়ং ৰণজিৎ সিংহৰ দৰবাৰত উপস্থিত হৈ সন্মান প্ৰদৰ্শন কৰা কথাটো ৰণজি
সিঙৰ মৰ্যাদাৰ দিশৰ পৰা বিশেষ গুৰুত্বপূৰ্ণ। ইংৰাজসকলেও চাহ চুজাক আফগান সিংহাসন
অধিষ্ঠিত কৰাৰ ক্ষেত্ৰত ৰণজিৎ সিংহৰ সাহায্য লাভ কৰিছিল।

CamScanner

**ৰণজিৎ সিঙৰ কৃতিত্ব ঃ** ৰণজিৎ সিঙ ভাৰতবৰ্ষৰ ইতিহাসৰ এক অন্যতম ব্যক্তিত্বসম্পন্ন পুৰুষ। বিচ্ছিন্ন, বিক্ষিপ্ত শিখ জাতিক ঐক্যবদ্ধ কৰাৰ তেওঁৰ প্ৰচেষ্টা নিঃসন্দেহে প্ৰশংসনীয়। নিজ প্ৰতিভা, সাংগঠনিক শক্তি তথা সমৰদক্ষতাৰ বলত অতি কম বয়সতে তেওঁ নিজকে এক সাধাৰণ দলপতিৰ পৰা নিজকে শিখ ৰাজ্যৰ 'মহাৰজা' পদত প্ৰতিষ্ঠিত কৰিব পাৰিছিল। জাতি-ধৰ্ম-নিৰ্বিশেষে দক্ষ ব্যক্তিক তেওঁ উপযুক্ত পদত নিযুক্তি দি দেশৰ প্ৰশাসনীয় ব্যৱস্থাৰ দক্ষতা বৃদ্ধি কৰাই নহয় নিজ ধৰ্মসহিষ্ণু মানসিকতাৰো পৰিচয় দিছিল। বহু বিদেশী পৰ্যটকে ৰণজিৎ সিঙ আৰু তেওঁৰ প্ৰশাসনৰ ভূয়সী প্ৰশংসা কৰি গৈছে। ফৰাচী পৰ্যটক জ্যাকিমোঁৱে (Jaquemont) ৰণজিৎ সিঙক "এক অসাধাৰণ ব্যক্তিত্ব-সম্পন্ন আৰু নেপোলিয়ন বোনাপাৰ্টৰ ক্ষুদ্ৰ সংস্কৰণ" বুলি অভিহিত কৰিছে। ৰণজিৎ সিঙৰ কোমল স্বভাৱ আৰু শত্ৰুৰ প্ৰতি উদাৰতা লৈ লক্ষ্য কৰি জাৰ্মান পৰ্যটক বেৰন কাৰ্ল ভন হুগেলে (Baron Carl Von Hugel) লিখিছে "Never perhaps was so large an empire founded by one man with so little criminality."

**ৰণজিৎ সিঙৰ দুৰ্বল উত্তৰাধিকাৰীসকল ঃ** ১৮৩৯ খৃঃত ৰণজিৎ সিঙৰ মৃত্যুত তেওঁৰ বৰপুত্ৰ খড়ক সিঙ সিংহাসনত উঠে। কিন্তু ইয়াৰ এবছৰৰ পাছতেই খড়ক সিঙহৰ মৃত্যু হয়। খড়ক সিঙৰ মৃত্যুৰ পিচদিনাই আকস্মিকভাৱে তেওঁৰ পুত্ৰ নৌনিহল সিঙৰো মৃত্যু হয়। এনে অৱস্থাত ৰণজিৎ সিঙৰ আন এজন পুত্ৰ ছেৰ সিঙ সিংহাসনত উঠে। কিন্তু কিছুদিন শাসন কৰাৰ পাছত ১৮৪৩ খৃঃত আততায়ীৰ হাতত ছেৰ সিঙৰো মৃত্যু হয়। ইয়াৰ ফলত ৰাজ্যত বিভিন্ন বিশৃংখলতাই দেখা দিয়ে। তাৰে সুযোগ লৈ 'খালচা' অৰ্থাৎ শিখ সেনা বাহিনীয়ে ৰাজনৈতিক ক্ষমতা হস্তগত কৰে। সিহঁতে ৰণজিৎ সিঙৰ নুমলীয়া পুত্ৰ দলীপ সিঙক সিংহাসনত বহুৱাই নিজেই শাসন চলাবলৈ লয়। ৰাজা লাল সিঙ নামৰ এজন দেশৰ ৱাজিৰ বা মন্ত্ৰী হ'ল আৰু তেজ সিং হ'ল মুখ্য সেনাপতি। ৰাণী মাতা ঝিন্দন দলীপ সিঙৰ নামমাত্ৰ অভিভাৱিকা হ'ল।

CS CamScanner